২৫) Hall, R. A. (1964). *Introductory Linguistics.* Philadelphia: Chilton Company.

২৬) Yule, G. (1996). *The Study of Language*. Cambridge: CUP.



৯.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ভাষাৰ উপাদান চাৰিটা— ধ্বনি, ৰূপ, বাক্য, আৰু অর্থ।

২ নং প্রশ্নৰ উত্তৰ ঃ বাগ্‌ধ্বনিৰ ভাগ দুটা— বিভাজ্য ধ্বনি আৰু অবিভাজ্য ধ্বনি।

৩ নং প্রশ্নৰ উত্তৰ ঃ ৰূপতত্ত্বৰ মূল আধাৰ হ'ল ৰূপ বা প্রাকৃতি।

৪ নং প্রশ্নৰ উত্তৰ ঃ গ্রীক ভাষাৰ 'Syntaxis' ৰ পৰা ইংৰাজী 'Syntax' ৰ উৎপত্তি হৈছে।

৫ নং প্রশ্নৰ উত্তৰ ঃ ইংৰাজীত অর্থতত্ত্বৰ প্রতিশব্দ হিচাপে 'Semantics' শব্দটি ব্যৱহাৰ হয়।



৯.৭ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

ক) বাগ্‌ধ্বনি কাক বোলে?

খ) সৰ্গ কাক বোলে?

গ) ৰূপ বা প্রাকৃতি কাক বোলে?

প্রশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

ক) অর্থৰ পৰিৱর্তনৰ তিনিটা ধাৰা পোৱা যায়।

খ) হাওঁফাওঁৰ পৰা ওলাই অহা বায়ু প্রৱাহক জিভাৰ বিভিন্ন অংশৰ সঞ্চালনেৰে পৰিৱর্তিত কৰি যিবোৰ ধ্বনিৰ সৃষ্টি কৰা হয় সেইবোৰক ব্যঞ্জনধ্বনি বোলা হয়।

চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ধ্বনিতত্ত্বত কি কি বিষয় আলোচনা কৰা হয় সেই বিষয়ে এটি আলচ যুগুত কৰক।

প্রশ্ন ২ ঃ বাক্যৰ সৃষ্টি কেনেদৰে হয়, বাক্যতত্ত্বৰ সহায়ত উদাহৰণসহ এটি বিশ্লেষণ আগবঢ়াওক।

প্রশ্ন ৪ ঃ ৰূপতত্ত্বৰ স্তৰত কি কি বিষয় অধ্যয়ন কৰা হয় সেই সম্পর্কে এটি আলোচনা আগবঢ়াওক।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ভাষা-বিজ্ঞান অধ্যয়নৰ স্তৰ কেইটা আৰু কি কি বহলাই আলোচনা কৰক।

প্রশ্ন ২ ঃ ভাষা-বিজ্ঞানে ভাষাৰ অধ্যয়নত কোনবোৰ দিশ কেনেদৰে সামৰি লয় আলোচনা কৰক।

প্রশ্ন ৩ ঃ ভাষাৰ উপাদান অনুসৰি ইয়াৰ অধ্যয়নৰ স্তৰসমূহ কেনেদৰে গঢ় লৈছে বুজাই লিখক।

*** ***** ***